# নিৰৱে কথা কয় অনুভৱে

(স্ব-নিৰ্বাচিত অণুগল্প সংকলন)

মৃদুস্মিতা হাজৰিকা

**NEERABE KOTHA KAY ANUBHABE** : A collection of assamese self selected micro stories written by Mridusmita Hazarika, Asstt. Professor, Lakhimpur Commerce College, North Lakhimpur, Assam, Published by Lakhimpur Jila Sahitya Sabha

*First Published : September 2025* *Price : 100.00/-*

# নিৰবে কথা কয় অনুভৱে

স্ব-নিৰ্বাচিত অণুগল্প সংকলন

প্ৰথম প্ৰকাশ ঃ চেপ্তেম্বৰ ২০২৫
প্ৰকাশক ঃ লখিমপুৰ জিলা সাহিত্য সভা
পৰিৱেশক ঃ সৰস্বতী প্ৰকাশন, গোলাঘাট

ISBN : 978-81-19732-80-7

@ গ্ৰন্থস্বত্ব ঃ লেখিকা

বেটুপাত ঃ মনজিৎ ৰাজখোৱা

মূল্য ঃ ১০০.০০ টকা

মুদ্ৰণ ঃ

আঙ্গিক প্ৰেছ, আমবাৰী, গুৱাহাটী-১

# অৰ্পণ

মোৰ চিৰপূজনীয় মা-দেউতা

**স্বৰ্গীয় নিত্যানন্দ হাজৰিকা**

আৰু

**স্বৰ্গীয় কুমুদা হাজৰিকাৰ**

কৰকমলত।

জীৱনৰ প্ৰতিটো ক্ষণতে আপোনালোকৰ আশীৰ্বাদ আৰু আদৰ্শ
মোৰ পাথেয় হৈ আছে।
আপোনালোকৰ মৰম, ত্যাগ আৰু শিক্ষাই
মোক আজিও জীৱনৰ বাটত আগুৱাই যাবলৈ প্ৰেৰণা যোগায়।
অণুগল্প সংকলনখন আপোনালোকে দি যোৱা প্ৰেৰণাৰ ফল মাথো।

—*মৃদুস্মিতা হাজৰিকা*

ড° বসন্ত কুমাৰ গোস্বামী
সভাপতি

**অসম সাহিত্য সভা**

কেন্দ্ৰীয় কাৰ্যালয় ঃ চন্দ্ৰকান্ত সন্দিকৈ ভৱন, যোৰহাট-৭৮৫০০১
গুৱাহাটী কাৰ্যালয় ঃ ভগৱতীপ্ৰসাদ বৰুৱা ভৱন, গুৱাহাটী-৭৮১০০১

আঞ্চলিক কাৰ্যালয়
ৰাংছিনা ভৱন, ডিফু-৭৮২৪৬০
ধুবুৰী আঞ্চলিক কাৰ্যালয়, ধুবুৰী-৭৮৩৩০১
ৰায়বাহাদুৰ ৰামেশ্বৰলাল চহৰীয়া সংহতি ভৱন, ডিব্ৰুগড়-৭৮৬০০৩
শিলচৰ আঞ্চলিক কাৰ্যালয়, শিলচৰ-৭৮৮০০১
উত্তৰ লক্ষীমপুৰ আঞ্চলিক কাৰ্যালয়, উত্তৰ লক্ষীমপুৰ-৭৮৭০০১
কমলাদেৱী তোদী স্মৃতিভৱন, মহীচন্দ্ৰ বৰা পথ, নগাঁও-৭৮২০০১
অচ্যুত নিবেদিতা মেধি সাহিত্য ভৱন, জালাহ-৭৮১৩২৭
সাহিত্য সভা প্ৰকল্প, মঙলদৈ, দৰং-৭৮৪১২৫
১/১৪ বি-সৎসঙ্গ বিহাৰ মাৰ্গ, ব্লক এ, কুটুব ইন্সটিটিউচেনেল এৰিয়া, নতুন দিল্লী, ১১০০৬৭

প্ৰসংগ নং ঃ ........................................ তাৰিখ ঃ ০৬-০৮-২০২৫

## শুভেচ্ছা বাৰ্তা

লক্ষীমপুৰ বাণিজ্য মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ সহকাৰী অধ্যাপক মৃদুস্মিতা হাজৰিকাই শিক্ষকজীৱনৰ বিদ্যায়তনিক কৰ্মৰাজি সম্পাদন কৰাৰ সমান্তৰালভাৱে সাহিত্য-চৰ্চাত মনোনিৱেশ কৰাত সন্তোষ পাইছোঁ। অসমীয়া সাহিত্যৰ একেবাৰে নতুন বিধা **অণুগল্প**— যাৰ মূল বৈশিষ্ট্য হ'ল সংক্ষিপ্ততা আৰু কেইটিমান বাক্য বা এটি সৰু অনুচ্ছেদৰ মাধ্যমেৰে পাঠকক মোহাচ্ছন্ন কৰি সমাজলৈ এটি সুন্দৰ বাৰ্তা প্ৰদান কৰা। ব্যস্ততাপূৰ্ণ জীৱনৰ এশ এবুৰি কামৰ মাজতে পলকতে সাহিত্যৰ ৰসাস্বাদন কৰিবৰ বাবেই এনে বিধাৰ জন্ম। লেখিকাৰ ক্ষণিক জিৰণিৰ সময়ত মনলৈ অহা অনুভৱৰ বাংময় প্ৰকাশস্বৰূপ **নিৰৱে কথা কয় অনুভৱে** শীৰ্ষক অণুগল্পৰ পুথিখনে নিশ্চয়কৈ পাঠকক আকৃষ্ট কৰিবলৈ সমৰ্থ হ'ব। শুভাশিস যাচিলোঁ।

বসন্তকুমাৰ গোস্বামী

(ড° বসন্তকুমাৰ গোস্বামী)
*সভাপতি, অসম সাহিত্য সভা*

ঘৰৰ ঠিকনা ঃ পোহৰ, সুৰাগপুৰ, চোলাধৰা, তৰুণৰাম ফুকন পথ, যোৰহাট, অসম, ভ্ৰাম্যভাষ ঃ ৮৪৭৩৯০৭১৯৪, ৯৪৩৫২৬৪৫০৯
ই-মেইল ঃ drbkgoswami3@gmail.co

দেৱজিৎ বৰা
প্ৰধান সম্পাদক

# অসম সাহিত্য সভা

কেন্দ্ৰীয় কাৰ্যালয় ঃ চন্দ্ৰকান্ত সন্দিকৈ ভৱন, যোৰহাট-৭৮৫০০১
গুৱাহাটী কাৰ্যালয় ঃ ভগৱতীপ্ৰসাদ বৰুৱা ভৱন, গুৱাহাটী-৭৮১০০১

আঞ্চলিক কাৰ্যালয়
বাংছিনা ভৱন, ডিফু-৭৮২৪৬০
ধুবুৰী আঞ্চলিক কাৰ্যালয়, ধুবুৰী-৭৮৩৩০১
ৰায়বাহাদুৰ ৰামেশ্বৰলাল চহৰীয়া সংহতি ভৱন, ডিব্ৰুগড়-৭৮৬০০৩
শিলচৰ আঞ্চলিক কাৰ্যালয়, শিলচৰ-৭৮৮০০১
উত্তৰ লক্ষীমপুৰ আঞ্চলিক কাৰ্যালয়, উত্তৰ লক্ষীমপুৰ-৭৮৭০০১
কমলাদেৱী তোদী স্মৃতিভৱন, মহীচন্দ্ৰ বৰা পথ, নগাঁও-৭৮২০০১
অচ্যুত নিবেদিতা মেধি সাহিত্য ভৱন, জালাহ-৭৮১৩২৭
সাহিত্য সভা প্ৰকল্প, মঙলদৈ, দৰং-৭৮৪১২৫
১/১৪ বি-সংসঙ্গ বিহাৰ মাৰ্গ, ব্লক এ, কুটুব ইন্সটিটিউচেনেল এৰিয়া, নতুন দিল্লী, ১১০০৬৭

## শুভেচ্ছাবাৰ্তা

**'নিৰৱে কথা কয় অনুভৱে'**— নামটো শুনিলেই যেন এক গভীৰ নীৰৱতা বুকুৰ ভিতৰত সোমাই যায়। এই পুথিখন মাথোঁ এটি অণুগল্প সংকলন নহয়; ই হৈছে জীৱনৰ নানা মুহূৰ্তৰ অনুভৱৰ সূক্ষ্ম প্ৰতিচ্ছবি। লক্ষীমপুৰ বাণিজ্য মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ সহকাৰী অধ্যাপক শ্ৰীমৃদুস্মিতা হাজৰিকা এগৰাকী প্ৰতিভাশালী লেখিকা হিচাপে বহু বছৰে সাহিত্য সাধনা কৰি আহিছে। শেহতীয়াকৈ তেখেতে **'নিৰৱে কথা কয় অনুভৱে'** নামৰ অণুগল্প সংকলন এখন পাঠক সমাজৰ উপযোগী হোৱাকৈ প্ৰকাশৰ ব্যৱস্থা গ্ৰহণ কৰিছে বুলি জানিবলৈ পাই সুখী হৈছোঁ।

লেখিকা শ্ৰীহাজৰিকাৰ সাহিত্যিক যাত্ৰা পথত সংগৃহীত হোৱা জীৱনৰ অভিজ্ঞতা, বেদনাৰ সোঁত, মৰম আৰু বিশ্বাসৰ বিভিন্ন বিষয়ৰ অনুভৱে সৃষ্টি কৰিছে এই অণুগল্প পুথিখন। এই পুথিৰ গল্পবোৰ চমু হ'লেও প্ৰতিটো গল্পয়ে নিজৰ মাজতে এক জটিলতা, এটি দ্বন্দ্ব, এটি চিন্তা আৰু সঘন অনুভৱৰ তীব্ৰতা আনে। পাঠকে এয়া কেৱল পঢ়ি যাবলৈ নহয়, অনুভৱ কৰিবলৈ, চিন্তন কৰিবলৈ আৰু কেতিয়াবা নিজৰ জীৱনৰ বাবে চিনাকি হ'বলৈ বাধ্য হ'ব।

শ্ৰীহাজৰিকাৰ কলমে যেন এনেদৰে শব্দৰ মাজেৰে অনুভৱৰ কাষলৈ যাব পৰাকৈ সদায় সাঁকো সাজি থাকে; তাৰবাবে তেখেতলৈ আমি আন্তৰিক শুভেচ্ছা জনাইছোঁ। তেখেতে সাহিত্যৰ যাত্ৰাত সদায় দীপ্তিময় হৈ থাকক—এই শুভকামনাৰে।

**।। চিৰ চেনেহী মোৰ ভাষা জননী।।**

**ভৱদীয়,**

(দেৱজিৎ বৰা)
প্ৰধান সম্পাদক

**০৬ আগষ্ট, ২০২৫ খ্ৰীষ্টাব্দ**
**ভগৱতীপ্ৰসাদ বৰুৱা ভৱন, গুৱাহাটী-১**

যোৰহাট বাসস্থান ঃ অৰ্কিড কুটীৰ, কমলাবৰীয়া গাঁও, ডাক ঃ গৰখীয়াদ'ল, যোৰহাট, অসম, সূচাংক ঃ ৭৮৫০১৫
গুৱাহাটী বাসস্থান ঃ আবাস গৃহ নং-৩৯, অসম অভিযান্ত্ৰিক প্ৰতিষ্ঠান চৌহদ, মিলনপুৰ, চানমাৰি, গুৱাহাটী, অসম, সূচাংক ঃ ৭৮১০০৩
ভ্ৰাম্যভাষ ঃ ৬৯০১৪৫৮৯৪০, ৯৮৬৪০৫০৫৫০, ই-মেইল ঃ debojitborahniyar@gmail.com, borahdebojit2012@gmail.com

# শুভেচ্ছাবাণী

অণুগল্প চুটিগল্পৰে এটা নতুন অভিব্যক্তি; চুটিগল্পৰ আকস্মিকতা, কৌতূহল উদ্দীপকতা ব্যঞ্জনাত অতৃপ্তি অণুগল্পটো আংশিক ৰূপত দৃষ্টি গোচৰ হয়। অণুগল্পক চুটিগল্পৰ লক্ষণ বৈশিষ্ট্যৰে সমুজ্জ্বল নৱতম অভিব্যক্তি আখ্যা দিব পাৰি। সাম্প্ৰতিক সময়ত নৱতম  সৃষ্টিহিচাপে অণুগল্পই সাহিত্য জগতলৈ অপূৰ্ব সম্ভাৱনা কঢ়িয়াই লৈ আহিছে। অৱশ্যে চুটি গল্পৰ অনুৰূপ হ'লেও অণুগল্পত অৱলম্বন কৰা শৈল্পিক কৌশল সম্পূৰ্ণ সুকীয়া। অণুগল্পত বিস্তৃতিৰ স্থান নাই, কলাত্মক সংক্ষিপ্ততা আৰু শৈল্পিক দক্ষতা ইয়াৰ সাৰবস্তু।

অণুগল্পত শাব্দিক ব্যঞ্জনা আৰু চিন্তাৰ সূক্ষ্মতা অত্যন্ত প্ৰয়োজনীয়। কম কথাৰে অধিক ভাব প্ৰকাশ কৰা আৰু মনলৈ অহা চিন্তাৰ প্ৰবাহক সংযত গতি প্ৰদানৰ কাৰণে যি শৈল্পিক দক্ষতাৰ প্ৰয়োজন, সেয়া আয়ত্ত কৰিবৰ কাৰণে অণুগল্প কাৰৰ শব্দ-সাধনাৰ বিশেষ প্ৰায়োজন।

বৰ্ণনাৰ পৰিৱৰ্তে ব্যঞ্জনাৰ সাৰ্থক প্ৰয়োগে অণুগল্প শিল্প গুণ বৃদ্ধি কৰে। চুটিগল্পৰ আকস্মিকতা অণুগল্পতো বিদ্যমান। অণুগল্পৰ কথনশৈলী আকৰ্ষণীয় আৰু গল্পত ব্যৱহাৰ কৰা  প্ৰতিটো  শব্দ আৰু বাক্য ই অৰ্থব্যঞ্জক নিটোল আৰু শিল্পগুণসম্পন্ন হোৱাটো বাঞ্ছনীয়। দৰাচলতে অণুগল্প কবিতাৰ  দৰেই শব্দৰ শিল্প। শিল্পৰ আঁৰৰ শিল্পীগৰাকীৰ ৰং-তুলিকা-প্ৰতীক, চিত্ৰ আৰু উপমা।

দৰাচলতে, ৰচনাশৈলীৰ দক্ষতাৰ ওপৰতেই অণুগল্পৰ সাৰ্থকতা নিৰ্ভৰশীল। অৱশ্যে কথাবস্তুৰ ওপৰত নিৰ্ভৰ কৰি ৰচনা ৰীতি সালসলনি হ'ব পাৰে। নাটকীয়তা, আকস্মিকতা, প্ৰতীকাত্মক, কাব্যিকতা, সংক্ষিপ্ততা,

চিত্ৰধৰ্মিতা আৰু ৰমনীয়তা অণুগল্পৰ বিশেষ বৈশিষ্ট্য। অণুগল্প প্ৰায়েই ৰূপকাত্মক আৰু ইয়াৰ অন্তৰালত গল্পকাৰৰ অপূৰ্ব বস্তুনিৰ্মাণৰ দক্ষতা অন্তৰ্নিহিত হৈ থাকে।

সাম্প্ৰতিক কালছোৱাত বিভিন্ন কাকত-আলোচনীত অণুগল্প প্ৰকাশ পাইছে যদিও অনুকৰণ-অনুসৰণৰ পৰিৱৰ্তে প্ৰায়বোৰতেই শৈল্পিক দক্ষতাৰ অভাৱ পৰিলক্ষিত হয়। লক্ষীমপুৰ বাণিজ্য মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ অধ্যাপিকা মৃদুস্মিতা হাজৰিকাই এই বিশেষ দিশটোত মনোনিৱেশ কৰি 'নিৰৱে কথা কয় অনুভৱে' শীৰ্ষক এটি অণুগল্পৰ সংকলন প্ৰকাশৰ বাবে প্ৰস্তুত কৰি উলিয়াইছে। তেওঁৰ সৃষ্টিশীল শৈল্পিক মনটোৰ পৰিচয় বহন কৰি অনুভৱৰ নীৰৱ চিত্ৰ একোখনি প্ৰকাশৰ প্ৰয়াস কৰিছে। সাধনা অব্যাহত ৰাখিলে নিশ্চিতভাবেই তেওঁৰ পৰা ভৱিষ্যতে আৰু অধিক মধুৰ অণুগল্পৰ আস্বাদ গ্ৰহণ কৰিবলৈ সক্ষম হ'ব পৰা যাব। লেখিকালৈ আন্তৰিক স্নেহ আৰু শুভেচ্ছাৰে—

২২ জুলাই, ২০২৫

**ড° প্ৰফুল্ল কুমাৰ নাথ**
গুৱাহাটী বিশ্ববিদ্যালয়

OFFICE OF THE PRINCIPAL
Golden Jubilee Year
LAKHIMPUR COMMERCE COLLEGE
Accredited by NAAC with Grade B(2nd Cycle)
Dr. Lohit Hazarika, MA, Ph.D.
Principal

Ref. No. LCC/MLCC/13/2025/45 Date. 06/08/2025

:: শুভেচ্ছা বাণী ::

সাহিত্য সমাজৰ দাপোণ স্বৰূপ।মৃদুস্মিতা হাজৰিকাৰ অণুগল্প পুথি 'নিৰৱে কথা কয় অনুভৱে 'প্ৰকাশিত হ'ব বুলি জানিব পাৰি অতিশয় আনন্দিত হৈছো। অণুগল্পই অতি কম পৰিসৰতে গভীৰ অনুভৱ আৰু জীৱনৰ কোনো মুহূৰ্তৰ সজীৱ বৰ্ণনা সম্ভৱ কৰি তোলে। লেখিকাৰ এই অণুগল্প সংকলন খনে জীৱনৰ কিছু কিছু মুহূৰ্তৰ অনুভৱ সুন্দৰকৈ প্ৰকাশ কৰিছে। অণুগল্প সমূহত কল্পনা আৰু বাস্তৱক যিদৰে মিলাইছে সেয়া অতি আকৰ্ষণীয় আৰু হৃদয়স্পৰ্শী।জীৱনৰ ৰং, নিৰ্দয়, সৃষ্টি , স্বীকৃতি, বিদায় , জন্মদাত্ৰী, অসুখ আদি অণুগল্পত আছে কম কথাৰ মাজেৰে মনৰ মাজত থূপ খোৱা ভাব ৰাশিৰ স্বতস্ফূৰ্ত মোহময়ী প্ৰকাশ। অণুগল্প প্ৰেমীৰ বাবে পুথি খন হ'ব প্ৰাণভৰি অণুগল্পৰ ৰস ল'ব পৰা এখন পুথি।

সম্ভাৱনাপূৰ্ণ লেখিকা মৃদুস্মিতা হাজৰিকাৰ সাহিত্য চৰ্চা চিৰদিন গতিশীল হৈ ৰওক অনুভৱৰ জৰিয়তে মানৱ জীৱনৰ বৰ্ণিল বৰ্ণনা আগবঢ়াই যাওঁক এয়ে আমাৰ কামনা। মোৰ একান্ত বিশ্বাস তেখেতৰ এই অণুগল্প ৰাজি পাঠক সকলে সহৃদয়তাৰে আঁকোৱালি ল'ব। মৃদুস্মিতা হাজৰিকালৈ মোৰ আন্তৰিক শুভেচ্ছা আৰু অভিনন্দন জনালোঁ।

ড০ লোহিত হাজৰিকা
অধ্যক্ষ
লক্ষীমপুৰ বাণিজ্য মহাবিদ্যালয়
Principal
Lakhimpur Commerce College
North Lakhimpur 787001

Website : www.lccollege.edu.in, E-mail:lccnlp@rediffmail.com, ✆: 03752-222359, 222384 (O), Mobile : +9101788974
District Head Quarter : North Lakhimpur, Airport - Lilabari (North Lakhimpur)

# শুভেচ্ছাবাণী

ঊনবিংশ শতিকাৰ শেষৰ ফালে আৰু বিংশ শতিকাৰ আৰম্ভণিতে অসমত চুটিগল্পৰ ধাৰা আৰম্ভ হৈছিল। এই সময়ছোৱাতে কিছুসংখ্যক লেখকে সৰু সৰু গল্প লিখিবলৈ আৰম্ভ কৰিছিল যি বিলাক গল্পক অণুগল্প বুলি ক'ব পাৰি। অণুগল্প হ'ল সৰু গল্পৰ বিশেষ ৰূপ য'ত খুব সংক্ষিপ্ত ভাবে উপস্থাপন কৰা কেইটামান বাক্যৰ মাজেৰে বহুত ডাঙৰ চিন্তা ভাৱনা প্ৰকাশ হয়। অন্যহাতেদি ই হ'ল বিন্দুতে সিন্ধু দৰ্শন।

মহাবিদ্যালয়ত অধ্যাপনাৰ দৰে এটি পৱিত্ৰ কৰ্মত নিয়োজিত হৈ ঘৰুৱা কাম-বন সুচাৰুৰূপে চম্ভালি সাহিত্য চৰ্চা কৰাটো এগৰাকী মহিলাৰ বাবে বৰ সহজ সাধ্য কাম নহয়। তাৰ মাজতে অধিবক্তা সত্যজিৎ দত্তৰ পত্নী শাস্ত্ৰীয় সংগীতৰ বিশাৰদ, ২০০২ চনতে লক্ষীমপুৰ বাণিজ্য মহাবিদ্যালয়ত অধ্যাপিকা হিচাবে নিযুক্ত হৈ, অসম সাহিত্য সভাৰ আজীৱন সদস্য ভৰ্তি হৈ বিভিন্ন গ্ৰন্থত প্ৰবন্ধ, কবিতা, অণুগল্প, বাতৰি কাকতত ভ্ৰমণ কাহিনী আদি লিখি অহা মৃদুস্মিতা হাজৰিকা এম. এ. (ডাৱল), বি.এড. আজি সাহিত্য ক্ষেত্ৰত একেবাৰে নতুন নহয়।

প্ৰায় তিনিটা বছৰৰ পূৰ্বে এই গৰাকী অণুগল্পকাৰে মই বিশিষ্ট অতিথি হিচাপে উপস্থিত থকা লক্ষীমপুৰ বাণিজ্য মহাবিদ্যালয়ৰ এখন সভাত কেইটামান অণুগল্প পাঠ কৰিছিল। তেখেতৰ গল্প সমূহত আছিল সংক্ষিপ্ততা, নিৰ্দিষ্ট ঘটনা, সংবেদনশীলতা, বহুমাত্ৰিকতা, নাটকীয়তা আদি অণুগল্পৰ প্ৰতিটো লক্ষণ বিদ্যমান আছিল। আমি তেখেতৰ সৃষ্টি অণুগল্পসমূহ গ্ৰন্থৰ আকাৰে প্ৰকাশ কৰিবলৈ পৰামৰ্শ দিছিলোঁ যাৰ ফলশ্ৰুতিত মই ভাবো আজি 'নিৰৱে কথা কয় অনুভৱে' গ্ৰন্থখনি পাঠকৰ হাতত তুলি দিবলৈ সক্ষম হৈছে।

অণুগল্পৰ ধাৰাটোৰ এগৰাকী যোগ্য অংশীদাৰ হৈ তেখেত সাহিত্য জগতত উজ্জ্বলি উঠক। এই গৰাকী অণু গল্প গল্পকাৰলৈ মোৰ আন্তৰিক শুভ কামনা আৰু আশীৰ্বাদ থাকিল।

ডঃ প্ৰেমানন্দ হাওবৰা
প্ৰাক্তন সহযোগী অধ্যাপক,
লক্ষীমপুৰ বালিকা মহাবিদ্যালয়ৰ
প্ৰাক্তন সভাপতি, উত্তৰ লক্ষীমপুৰ সাহিত্য সভা

# প্ৰকাশকৰ একলম

মানৱ জীৱন বৈচিত্ৰ্যময়। বিভিন্ন সময়ৰ অভিজ্ঞতাবোৰ, অনুভৱবোৰ প্ৰতিফলন কৰি লিখা অণুগল্পবোৰে পাঠকক গভীৰভাবে স্পৰ্শ কৰে। ব্যস্ততাৰ বাবে বহুতৰ বাবে দীঘল উপন্যাস বা গল্প পঢ়াটো কঠিন হৈ পৰিছে, অণুগল্প হৈছে কম সময়তে পঢ়িব পৰা এক ব্যতিক্ৰমধৰ্মী, আধুনিক সাহিত্যৰ ৰূপ। লক্ষীমপুৰ বাণিজ্য মহাবিদ্যালয়ৰ অধ্যাপক মৃদুস্মিতা হাজৰিকাৰ 'নিৰৱে কথা কয় অনুভৱে' নামৰ এই অণুগল্প সংকলনখন প্ৰকাশৰ সিদ্ধান্ত লোৱা হৈছে। কম সময়তে পঢ়িব পৰা এই সংকলনত সন্নিৱিষ্ট অণুগল্পবোৰে জীৱন যাত্ৰাৰ সৰু সৰু মুহূৰ্তবোৰ, ব্যক্তি-সমাজৰ নানা অনুভৱ, আৰু মানসিক চিত্ৰ দাঙি ধৰিছে। লেখিকাৰ অনুভৱৰ জগত, ভাষাৰ সৰলতাই পাঠকৰ হৃদয়ত এক গভীৰ অনুভূতি সৃষ্টি কৰিব বুলি আমি বিশ্বাস কৰোঁ।

এই পুথিখনে সদাসচেতন পাঠকৰ হৃদয়ত স্থান লাভ কৰিব বুলি আমি আশাবাদী। লেখিকাৰ আগন্তুক সাহিত্যিক যাত্ৰাৰ বাবে শুভকামনা জনাই, এই পুথিখন প্ৰকাশ কৰিবলৈ আগবাঢ়িছোঁ।

**প্ৰবীণ হাজৰিকা**
সম্পাদক
লক্ষীমপুৰ জিলা সাহিত্য সভা

# অণুগল্প পুথিখনৰ জন্মৰ আৰত ঃ

মানৱ জীৱন এক বিচিত্ৰ আৰু বৰ্ণিল যাত্ৰা—য'ত বিভিন্ন সময়ত নানা ঘটনা, পৰিঘটনা আৰু অনুভৱে মনত দোলা দিয়ে। এই অনুভৱবোৰেই কেতিয়াবা বাস্তৱ জীৱনত লগ পোৱা চৰিত্ৰবোৰ, কেতিয়াবা কল্পনাৰ চৰিত্ৰবোৰক আধাৰ কৰি অণুগল্পৰ ৰূপ লয়। এনে কেইবাটাও অণুগল্প মই বিভিন্ন সময়ত ৰচনা কৰিছিলোঁ, যাৰ কিছুসংখ্যক ফেচবুকৰ অণুগল্প গোটত প্ৰকাশ পাইছিল। বিভিন্ন সময়ত ৰচনা কৰা কিছুসংখ্যক অণুগল্প 'নিৰৱে কথা কয় অনুভৱে' নামৰ সংকলনখনত অন্তৰ্ভুক্ত কৰি প্ৰকাশ কৰিবলৈ আগবাঢ়িছোঁ।

অসম সাহিত্য সভাৰ সভাপতি সন্মানীয় ড° বসন্ত কুমাৰ গোস্বামী দেৱলৈ এটি শুভেচ্ছা বাৰ্তা প্ৰেৰণ কৰি মোক উৎসাহিত কৰাৰ বাবে আন্তৰিক ধন্যবাদ আৰু কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ।

অসম সাহিত্য সভাৰ প্ৰধান সম্পাদক দেৱজিৎ বৰা দেৱলৈও এটি শুভেচ্ছা বাৰ্তা প্ৰেৰণ কৰাৰ বাবে আন্তৰিক ধন্যবাদ আৰু কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ।

এই গ্ৰন্থখনৰ পাণ্ডুলিপি পঢ়ি শুভেচ্ছা জনোৱাৰ বাবে গুৱাহাটী বিশ্ববিদ্যালয়ৰ সন্মানীয় অধ্যাপক ড° প্ৰফুল্ল কুমাৰ নাথ ছাৰৰ প্ৰতি গভীৰ কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ।

নাৰী দিৱসৰ এটি অনুষ্ঠানত মোৰ অণুগল্প পাঠ শুনি, সকলোৰে আগতে কিতাপ প্ৰকাশৰ প্ৰেৰণা দিয়াৰ লগতে উৎসাহিত কৰি এটি শুভেচ্ছা বাৰ্তা প্ৰেৰণ কৰা বাবে লক্ষীমপুৰ বালিকা মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত সহযোগী অধ্যাপক, উত্তৰ লক্ষীমপুৰ সাহিত্য সভাৰ প্ৰাক্তন সভাপতি সন্মানীয় ড° প্ৰেমানন্দ হাওবৰা ছাৰলৈ আন্তৰিক ধন্যবাদ আৰু কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ।

লক্ষীমপুৰ বাণিজ্য মহাবিদ্যালয়ৰ সন্মানীয় অধ্যক্ষ ড° লোহিত

হাজৰিকা ছাৰলৈ এটি শুভেচ্ছা বাণী দিয়াৰ বাবে ধন্যবাদ আৰু কৃতজ্ঞতা জনাইছোঁ।

লক্ষীমপুৰ জিলা সাহিত্য সভাৰ বৰ্তমানৰ সম্পাদক দাদা প্ৰবীণ হাজৰিকাৰ প্ৰতি ধন্যবাদ আৰু কৃতজ্ঞতা জনাইছোঁ, মোক সদায় সাহিত্য চৰ্চা অব্যাহত ৰাখিবলৈ অনুপ্ৰাণিত কৰি অহাৰ লগতে পুথিখন প্ৰকাশৰ দায়িত্ব লৈ প্ৰকাশকৰ একলম লিখি দি উৎসাহিত কৰাৰ বাবে।

সদায় উৎসাহ আৰু সাহস যোগাই, গ্ৰন্থখন প্ৰকাশৰ ক্ষেত্ৰত সমৰ্থন আগবঢ়োৱাৰ বাবে সত্যজিৎ দত্তলৈকো আন্তৰিক ধন্যবাদ।

নিজৰ কৰ্মক্ষেত্ৰৰ উপৰিও সাহিত্যৰ ক্ষেত্ৰখনত আগবাঢ়িবলৈ যিয়ে সদায় প্ৰেৰণা যোগাইছে, সেই মোৰ দুই আদৰৰ জীয়ৰী অংকিতা আৰু আকাংক্ষা—তোমালোকৰ মৰম আৰু উৎসাহৰ বাবেই মই এই গ্ৰন্থখন প্ৰকাশ কৰাৰ সাহস পালোঁ। এই সুযোগতে তোমালোকলৈ মোৰ স্নেহভৰা শুভাশীষ যাচিলোঁ।

মোৰ একমাত্ৰ ভগ্নী তিলোত্তমা হাজৰিকাই মোক সকলো সময়তে উৎসাহ যোগাই আহিছে এই সুযোগতে তেওঁলৈকো ধন্যবাদ জনাইছোঁ। মোক প্ৰেৰণা যোগোৱাৰ বাবে দাদা দিগন্ত হাজৰিকালৈকো ধন্যবাদ জনালোঁ। মোক সাহিত্য চৰ্চাৰ ক্ষেত্ৰত উৎসাহিত কৰি গ্ৰন্থখনৰ ছপাৰ সমগ্ৰ কাম সুন্দৰভাৱে সম্পাদন কৰি পাঠকৰ হাতত তুলি দিয়াৰ বাবে 'আঙ্গিক প্ৰকাশন'ৰ স্বত্বাধিকাৰী দিবাকৰ হাজৰিকা দাদালৈও কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ। লগতে গ্ৰন্থখন প্ৰেছলৈ পঠোৱাৰ আগৰ সকলো কাম নিখুঁতভাৱে সম্পাদন কৰি দিয়াৰ বাবে অতুল শইকীয়া দাদালৈও ধন্যবাদ জনাইছোঁ।

শেষত, আমাৰ হাজৰিকা আৰু দত্ত পৰিয়ালৰ প্ৰতিজন সদস্যৰ প্ৰতিও কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ। আপোনালোকৰ সহায়-সহযোগ, মৰম আৰু আশীৰ্বাদেই আজিৰ এই সম্ভৱ।

আশাকৰোঁ, সুহৃদ পাঠকবৃন্দে গ্ৰন্থখন আদৰি ল'ব আৰু উৎসাহিত কৰিব।

—লেখিকা

# ঃ সূচীপত্ৰ ঃ


- চিৰন্তন ১৫
- উপহাৰ ১৬
- অনুৰাগ ১৭
- সৃষ্টি ১৮
- স্বীকৃতি ১৯
- বিদায় ২০
- অসুখ ২১
- সপোন নামে ২২
- বিশেষ এদিন ২৩
- প্ৰজন্ম ২৪
- জন্মদাত্ৰী ২৫
- দুপৰীয়া ২৬
- অনুপম জীৱন ২৭
- আশা ২৮
- ঘোচা ২৯
- অবুজন ৩০
- অভাৱ ৩১
- অসহায় ৩২
- স্বাভিমান ৩৩
- অসহনীয় ৩৪
- স্মৃতি ৩৫
- জুৰুলা ৩৬
- প্ৰতিবাদ ৩৭
- জীৱন ৩৮
- ফুলশয্যা ৩৯
- সহচৰ ৪০
- সপোনৰ ৰং ৪১
- নিৰ্দয় ৪২

- প্ৰাপ্তি ৪৩
- সময় ৪৪
- নিৰাপত্তা ৪৫
- অজুহাত ৪৬
- ভুল ৪৭
- প্ৰেৰণা ৪৮
- বিচাৰ ৪৯
- সম্পৰ্ক ৫০
- সকাহ ৫১
- লঘোণ ৫২
- যান্ত্ৰিক ৫৩
- উপলব্ধি ৫৪
- দয়া ৫৫
- উৎসাহ ৫৬
- বোৱাৰী ৫৭
- কাঁইটীয়া ৫৮
- শলাগ ৫৯
- সংকল্প ৬০
- সময় ৬১
- সান্নিধ্য ৬২
- সমল ব্যক্তি ৬৩
- বিয়লি ৬৪
- মমতা ৬৫
- অভ্যাস ৬৬
- ব্যতিক্ৰম ৬৭
- খবৰ ৬৮
- বন্দনা ৬৯
- দায়িত্ব ৭০
- মমতাময়ী ৭১
- সততা ৭২

# চিৰন্তন

একেথৰে মানুহ জনে মুখখনিলৈ চাই ৰল। দগমগীয়া ৰঙা ফোটটিৰে বৰ ধুনীয়া লাগিছে আজি মানুহজনী, চকুৰ  পলক যেন নপৰিব তেওঁৰ। গাড়ী ক'ত পাইছেহি খবৰ পাইছানে? বন্ধু মদনে কাৰোবাক সুধিলে, তেজপুৰ পাইছেহি ভাই বোৱাৰী অনিতাৰ মাততো তেওঁৰ কাণত পৰিলহি। আৰু মাত্ৰ কেই ঘণ্টামানৰ পাছত আৰু একো নাথাকিব। একমাত্ৰ ছোৱালী জনী লৈ সকলোৱে অপেক্ষা কৰিছে। নতুন কাপোৰ এজোৰ পিন্ধিলে মানুহ জনীয়ে তেওঁক যে কিমান বাৰ সুধিছিল 'কেনেকুৱা লাগিছে মোক কওক চোন?' আজি সকলো নতুন বস্তু গাত দিয়াৰ পাছতো মানুহজনীয়ে যে নিৰৱে চকু মুদি আছে। বুকুখন তেওঁৰ বৰকৈ বিষাবলৈ ধৰিলে। মানুহজনীক ধুনীয়া লাগিছে বুলি কোনো দিন কোৱাই নহ'ল দেখোন।

■ ■ ■

# উপহাৰ

এয়া চোৱা কি আনিছো তোমালোকলৈ, মাকে ভালপোৱা গুলপীয়া ৰঙৰ কাপোৰ এযোৰ আৰু দেউতাকে ভাল পোৱা আকাশী নীলা ৰঙৰ চাৰ্ট এটা অনিমাই হাতত তুলি দিলে। তাইক নিজৰ মতে জী উঠিবলৈ দিয়া মাক-দেউতাকৰ মুখলৈ  একেথৰে চাই ৰ'ল। মাকে মৰমেৰে তাইৰ মুৰত হাত ফুৰাই দিলে। এই হাতৰ পৰশ নোপোৱা বহু দিনেই হ'ল। বিচনাতে ঘপকৈ বহি দিলে তাই। ৰাতিপুৱাবৰ হ'ল। টেবুলত থকা টোপোলা কেইটালৈ চালে। মাক-দেউতাকৰ স্মৃতিত তাই চাকৰি পোৱা স্কুলখনতে অভাৱে গৰকা ছাত্ৰ-ছাত্ৰীৰ মাজত আজি উপহাৰসমূহ বিতৰণ কৰিব।

■ ■ ■

# অনুৰাগ

সৰিয়হখিনি ধুই ডলা এখনত তাই চোতালত মেলি দিলে। কালিলৈ সোমবাৰ গাৰুটো বনাই থব লাগিব। কিমান দিনৰ যে সপোন আছিল। আঙুলিৰ মূৰত হিচাপ কৰি চালে আৰু ৯ দিন আছে ডক্টৰৰ মতে। নিচিন্ত মনে টি.ভি.ত চিৰিয়েল চাই থকা জাকলৈ চাই মালাই ভাবিলে আজি ১০ বছৰে মাক হোৱাৰ সপোন পূৰণ নহ'লেও বৰমাক হোৱাৰ সপোন কিন্তু সোনকালেই পূৰ্ণ হ'ব।

■ ■ ■

# সৃষ্টি

অনবৰতে হাঁহি থকা আনক হহুঁৱাই ভাল পোৱা ছোৱালী জনীয়ে এক প্ৰকাৰ মাত-বোল বন্ধ কৰি  দিয়াৰ দৰেই হৈছিল। হিয়া ঢাকুৰি কন্দাৰ পিছত তপত চকুলোবোৰ শুকাই শেষ হৈছিল। সপোনত মাকে তাইৰ হাতত তুলি দিছিল সৰু কালত ভাল পোৱা মৰমৰ কলমটো। সৃষ্টি হৈছিল ভাল-বেয়া বহুতো সাহিত্য। বিশাল মঞ্চখনত ঠিয় হৈ মালাই কৈছিল মোৰ এই সৃষ্টি ৰাজিৰ প্ৰেৰণা মোৰ মাৰ নামত এই বঁটা অৰ্পণ কৰিলো।

■ ■ ■

# স্বীকৃতি

তোৰ পচন্দ হৈছে যদি তই ল মই বেয়া নাপাওঁ নহয়, শৈশৱত ককায়েকৰ ভাল লগা বস্তু বোৰ অজয়ে প্ৰায়ে লৈ লৈছিল। আজি ককায়েকে পচন্দ কৰি অনা মানুহজনীয়ে বগা সাজযোৰ সলাই পাটৰ সাজযোৰ পিন্ধি ঘৰ সোমাওঁতে ককায়েকৰ ফটোখনলৈ চাই তাৰ দুই চকু সেমেকি উঠিল।

■ ■ ■

# বিদায়

উৰুলিৰ ধ্বনিয়ে নয়নাৰ দুচকু সেমেকাই তুলিলে। যাবগৈ তাই, ইমান দিনে কম মৰমেৰে সাৱটি ৰাখিছিল নে তাইক ছোৱালীজনীয়ে। জয়া নোহোৱাকৈ তাইৰ  ৰাতিপুৱাৰ পৰা গধূলিলৈকে সময়বোৰ নাযায় নুপুৱাই হ'ব দেখোন। দৰা নয়নাৰ বহুদিনৰ চিনাকি জয়াৰ বাবে উপযুক্ত। জয়া আৰু ৰমেনে তাইক সেৱা জনালেহি। বিদায়ৰ মুহূৰ্ত বৰ কৰুণ। তেজৰ সম্পৰ্কৰ উৰ্দ্ধত এই সম্পৰ্ক। জয়াৰ মৰমে নয়নাক তাই যে কাম কৰা ছোৱালী ভাবিবলৈ অৱকাশেই নিদিলে। নয়নাই বুকুখনৰ কোনোবা কোণত বিষ অনুভব কৰিলে।

■ ■ ■

# অসুখ

‘মাজনী চোৱা চোন এয়া কি হৈছে।’

ককাঁলৰলৈকে বৈ পৰা চুলিকোচা সৰিবলৈ ধৰিছিল।

এই প্ৰশ্নৰ উত্তৰ কি বুলি দিব মাকক। ডাঃ ৰে কোৱা কথা বোৰ মাকক কবলৈ তাইৰ দেখোন সাহসেই হোৱা নাই। সাগৰৰ লুণীয়া পানী যে মেৰিনা বীচ্চত মূৰত লৈছিলা সেইবাবে। নিমখে চুলি সৰায়। তাইৰ কথাত মাক পতিয়ন গ’ল নাই তাই মাকৰ মুখলৈ চাব নোৱাৰিলে।

■ ■ ■

# সপোন নামে

সন্ধিয়াৰে পৰা গাটো খুব বেয়া লাগিল অনিতাৰ। কপাল খন চুই চালে ইমান গৰম হৈছে। লৰালৰিকৈ ভাত কেইটামান ৰান্ধি সকলোকে ভগাই খাবলৈ কৈ তাই বিচনাত পৰিলগৈ।

এনেকুৱা সময়ত মাক-দেউতাকলৈ তাইৰ খুব মনত পৰে।

চিলমিল টোপনিত তাই অনুভৱ কৰিলে মাকৰ হাতৰ সেই চিনাকি স্পৰ্শ। 'কিবা অকণ খাই লোৱা দিনটো একো নাই খোৱা তুমি।' তাইৰ নৰিয়াত মাকৰ এই আপদাল নতুন নহয়। আঠ বছৰৰ আগতে হেৰাই যোৱা মাকৰ স্মৃতিয়ে তাইক বৰ আমনি কৰে।

■ ■ ■

# বিশেষ এদিন

কাণপাতি কথাবোৰ শুনি গ'ল তাই। অজয়ে সাৰটি ধৰি কৈছিল 'এইটো আমাৰ কোঠা।' কাষতে অসুখীয়া মাক শুই থকা দেখিছিলো।

সেয়াই আছিল আমাৰ সাংসাৰিক জীৱনৰ প্ৰথম দিন। ছায়াৰ সুখী পৰিয়ালটো দেখি ৰত্নাৰ মনটো ভাল লাগি গ'ল। নিজকে বৰ দুখীয়া যেন অনুভৱ হ'ল।

■ ■ ■

# প্ৰজন্ম

খন্তেকতে বিৰাট অপ্ৰস্তুত হৈ পৰিল মানুহজন। কামত ব্যস্ত হৈ থাকোতে সকলো যেন পাহৰি গৈছিল। নিজৰ কাপোৰ জোৰলৈ চালে সঁচাকৈয়ে লেতেৰা হৈছে। গৱেষণাৰ কামত একান্তভাৱে ব্যস্ত হৈ থকা মানুহজনে ভাতকেইটা হোটেলত খাবলৈ আহিছিল। শুনা নাই নেকি? টেবুলখন চাফা কৰি দে। নতুন প্ৰজন্মৰ চেঙেলীয়া ল'ৰা-ছোৱালীকেইটা লৈ চাই তেওঁ ভাবিলে ভুল সিহঁতৰ নহয় তেওঁৰহে।

■ ■ ■

# জন্মদাত্ৰী

আঘোণৰ পথাৰ খনত নিমাওমাও পৰিৱেশ। হঠাৎ হুৰহুৰ শব্দটোত তাই খিৰিকিখন খুলি চালে। কিছুদিনৰ পাছত সিহঁতৰ সোণগুটি চপোৱা পথাৰখনত কাৰোবাৰ ঘৰ হ'ব। মাকৰ চিকিৎসা কৰাবলৈ মাটি টুকুৰা বিক্ৰী কৰাৰ বাদে অনিমাহঁতৰ আৰু দেখোন উপায়ে নাছিল। তাই এটা স্বস্তিৰ নিশ্বাস এৰিলে জন্মদাত্ৰীকৈ মাটি টুকুৰাৰ লগত জড়িত আবেগবোৰ কেতিয়াও গভীৰ হ'ব নোৱাৰে।

■ ■ ■

# দুপৰীয়া

‘দেহা একেবাৰে শুকুৱাই পেলালি দেখোন।’ ভৰ দুপৰীয়া শাওনৰ পথাৰত তিতি বুৰি অকলে ভুই ৰুই থকা মালতীক উদ্দেশ্য কৰি তপনে ক’লে। তাই আগতকৈ খৰকৈ মাটি ডৰা ৰুবলৈ ধৰিলে। গাতত সোমাই পৰা চকু জুৰিৰে তাই তপনলৈ চালে সি ওচৰতে ৰৈ আছে। তাইৰ বাঘিনীৰ দৰে চকু দুটাই তাক আতৰি যাবলৈ বাধ্য কৰিলে।

■ ■ ■

# অনুপম জীৱন

অৱহেলা সহিব নোৱাৰা ছোৱালীজনীৰ বুকুৰে পাৰ হৈছিল হাজাৰ অবহেলা। সকলো সহিব পৰাকৈ নিজক শিল কৰা বিদিশা চৌধুৰীৰ চেম্বাৰত আজি বহু লোকৰ ভিৰ। জীৱন জিনা ছোৱালীজনী আজি আনৰো জীয়াই থকাৰ প্ৰেৰণা।

■ ■ ■

# আশা

চলিহা-চলিহানীৰ আটকধুনীয়া ঘৰটোত আজি ব্যস্ততাৰ অন্ত পৰা নাই। ঘৰখনত কাম কৰা বাই ৰমেণাও ৰাতিপুৱা সোনকালে আহি কামত লাগিছেহি । বিভিন্ন সুস্বাদু ব্যঞ্জনেৰে মানুহক আপ্যায়নৰ কৰাৰ এক বিশাল আয়োজন চলিছে ঘৰখনত। ইটো-সিটো কাম কৰাৰ মাজতে খোৱা বস্তুৰে ভৰি থকা পাত্ৰবোৰলৈ তাই চায়। ঘৰখনৰ  একমাত্ৰ সন্তান টিৰ জন্ম দিন, আয়োজনটো চলিবই। লাহে লাহে আন্ধাৰ নামি আহিছে। বাৰান্দাৰ চুক এটাত  তাই বহি পৰিল। মানুহবোৰ আহি আছে খোৱা বস্তুৰে ভৰি থকা পাত্ৰবোৰ লাহে লাহে খালি হ'বলৈ ধৰিছে। ভাল বস্তু ৰে ৰাতি এসাজ খোৱাৰ আশা দি অহা ল'ৰা-ছোৱালী কেইটাৰ শুকান মুখকেইখন মনত পৰি তাই চিঞৰি উঠিল। 'ৰমেণা' চলিহা নীৰ মাতত তাই চকু মেলি চালে। উস্ ৰক্ষা এয়া তাই চিল্‌মিল্ টোপনিত দেখা সপোনহে আছিল। তাই উঠি গৈ খোৱা বস্তুৰ পাত্ৰবোৰ লৈ চালে। পাত্ৰবোৰত তেতিয়াও অবশিষ্ট বহুখিনি বস্তু ৰৈ গৈছে।

■ ■ ■

# ঘোচা

অনুশীলনত ব্যস্ত হৈ থাকোতে কেতিয়ানো বেলিয়ে লহিয়ালে মিনতিয়ে গমেই নাপালে। লুঙলুঙীয়া ৰাস্তাটোৰে তাই খৰখোজেৰে আগবাঢ়িল। কেকুৰীটো পাৰ কৰিবলৈ লওঁতেই মদাহীকেইটাই তাইক বেৰি ধৰিলে। মূহূৰ্ততে তাইৰ লাৱণী হাত দুখন বজ্ৰৰ দৰে কঠিন হৈ পৰিল।নিমিষতে প্ৰচণ্ড ঘোচাত লোলুপ দৃষ্টিৰে ভৰা সিহঁতৰ চকু, মুখ চিনিব নোৱাৰা হৈ পৰিল।

■ ■ ■

# অবুজন

‘বুজালে নুবুজ কিয় ক’ত পাম মই ইমান টকা?’

মাকৰ কথা শুনি বিনয় গৰজি উঠিল। লগৰ চবৰে আছে, বিচৰা বস্তুবোৰ দিব নোৱাৰ যদি জন্ম কিয় দিছিলি? খং কৰি সি ঘৰৰ পৰা ওলাই গৈছিল। মাকে অনিচ্ছা সত্ত্বেও সাঁচতীয়া টকাকেইটা আৰু অলংকাৰ কেইপদৰে তাৰ প্ৰয়োজন পূৰণ কৰিছিল। আনন্দত আত্মহাৰা হৈছিল সি। আজি বাৰণ্ডাৰ চুকটোত পৰি থকা বাইকখনলৈ চাই মাকে হুমুনিয়া কাঢ়িলে। পেংডাল লৈ লাহে লাহে সি ভিতৰৰ পৰা ওলাই আহিল।

■ ■ ■

# অভাৱ

কিয় এনেকুৱা কৰিলি তই? ইমান মৰম কৰিছিলো তোক। চুকতে খাই তই মোৰ বুকতে গোৰ মাৰিলি। খংত অস্থিৰ হৈ পৰিছিল অনুভৱ চৌধুৰী। তাৰ প্ৰতিটো কাপোৰৰ জেপত বিছনাৰ তলত চুৰ কৰি লুকাই থোৱা কেইবা হাজাৰ টকা। বহু দিনৰ পৰা এশ দুশকৈ অনুভৱ চৌধুৰীৰ জেপৰ পৰা লোৱা বুলি কাম কৰা ল'ৰা বিজয়ে স্বীকাৰ কৰিলে। মোক ক্ষমা কৰক ছাৰ, মোৰ ভুল হৈ গ'ল গোটেই পইচাখিনি চৌধুৰীৰ হাতত দি সি যাবলৈ ওলাল। একমাত্ৰ ভনীয়েকক স্কুল যাবলৈ চাইকেল কিনি দিম বুলি দি অহা প্ৰতিশ্ৰুতিয়ে তাক কেতিয়া চোৰলৈ ৰূপান্তৰ কৰিলে সি গমেই নাপালে।

■ ■ ■

# অসহায়

এযোৰ দুযোৰকৈ দহযোৰ কাপোৰ নয়নাৰ হাতত জাপি দিওঁতে দুয়োখন হাতেৰে ভৰ সহিব নোৱাৰাৰ দৰে লাগিল তাইৰ। এযোৰ খমখমীয়া পাট-মুগা কাপোৰ তাইক পিন্ধাইও দিলে। দেউতাক ঢুকুৱাৰ পিছত নতুন কাপোৰ পিন্ধা তাইৰ মনতে নপৰে। মাহীমাকক ধন্যবাদ দিলে নয়নাই মনে মনে। তাই মিছাতে বেয়া বুলি ভাবে মানুহজনী। এখন আঢ্যৱন্ত ঘৰৰ বোৱাৰী হ'ব তাই ।

নতুন ঘৰখনত তাইৰ আজি প্ৰথম দিন। বহু দেৰিলৈকে মানুহজন দেখাই নাই। বিয়াৰ আগতো মাহীমাকে সিহঁতক লগ হ'বলৈ নিদিলে। হোমৰ গুৰিত দীঘল ওৰণিৰ তলেৰে লাজতে মানুহজন ভালকৈ চোৱাই নহ'ল।

ভাবি থাকোতে কেতিয়ানো মানুহজন আহি নয়নাৰ ওচৰ পালেহি তাই গমেই নাপালে। তাই অবাক লাগিল। মাহীমাকে তাইৰ ওপৰত এয়া কিহৰ প্ৰতিশোধ ল'লে। নিজকে বৰ অসহায় যেন লাগিল নয়নাৰ। হঠাৎ বাহিৰত কোনোবাই কোৱা শুনিলে ল'ৰাটো অকৰা যদিও কইনাজনী বৰ ধুনীয়া পালে দেই।

■ ■ ■

# স্বাভিমান

হীৰাৰ আঙঠিটো খুলি অনিতাই টেবুলখনত থলে। টি.ভি.টো বন্ধ কৰি মাকৰ ওচৰ পালেগৈ। মা, তোমাক কথা এটা কওঁ। কি হ'ল মাজনী। নিৰ্বিৰৰ লগত বিয়াত নবহো মই। এইবোৰ কি কৈছ তই? ডাঙৰ ডাঙৰ আখৰেৰে বাতৰি কাকতৰ প্ৰথম পৃষ্ঠাত দালালৰ নামত নিৰ্বিৰৰ নামটো দেখি মাক আচৰিত হ'ল। মাজনী, তই যি ভাল দেখ মোৰ আপত্তি নাই। মাকৰ কথাষাৰে তাইৰ স্বাভিমানী মনলৈ এক গভীৰ প্ৰশান্তি আনিলে।

■ ■ ■

# অসহনীয়

ধৰ ধৰ, উলিয়াই নে বাহিৰলৈ। পাটি পাৰিব নালাগে তুলসী ওচৰৰ মাটিতে থ হঁত। কোনোবাই চিঞৰা শুনিলে সি। বুকুখন হেঁচা মাৰি ধৰি মানুহজনীৰ কাষতে বহি পৰিল অমল। কান্দিবলৈ তাৰ বাহিৰে ঘৰখনত দ্বিতীয় জন নাই। বেমাৰীজনী মৰিল ভালেই হ'ল। আজি দহ বছৰে মানুহটোৱে কম যত্ন ল'লেনে মানুহজনীৰ। কথাষাৰ কাণত পৰাত তাৰ বুকুখনে হাহাকাৰ কৰি উঠিল। আনে বেমাৰী আখ্যা দিয়া মানুহজনী তাৰ যে জীয়াই থকাৰ প্ৰেৰণা আছিল। দুগালেৰে অমলৰ বাগৰি আহিল দুটোপাল তপত চকুলো।

■ ■ ■

# স্মৃতি

ভালকৈ ধৰি ল, নহ'লে পৰি যাবি। ভয়ত দুয়োখন হাতেৰে প্ৰতিভাই চাইকেলখনৰ হেন্দেল ডালত ধৰি লয়। দেউতাকে পেদেল মাৰে চহৰৰ ফালে। পূজা চোৱাৰ আনন্দত তাই আত্মহাৰা হয়। মা, নানামা নেকি? ছোৱালীজনী মাতত তাই উচপ খাই উঠে। নতুনকৈ লোৱা বিলাসী গাড়ীখনৰ পৰা নামি পূজা মণ্ডপৰ ফালে আগবাঢ়ে। শৈশৱত পূজা চোৱাৰ সেই মধুৰ দিনবোৰ সুঁৱৰি তাই আপোন পাহৰা হৈ পৰে।

■ ■ ■

# জুৰুলা

যা, আকৌ লগৰকেইটা ৰৈ আছে নহয়। মা, যাবলৈ দেখোন মনেই যোৱা নাই। সেৰাতো জনাই সোনকালে ঘূৰি আহিবি। মাকে মদনৰ হাতত এশ টকা গুজি দিলে। সি মন কৰিলে মাকে পইচা থোৱা টেমাতো খালি হৈ পৰিল। আজি দুবছৰে সিহঁতৰ ঘৰখনত কেৱল অভাৱ আৰু অভাৱ। পূজা মণ্ডপত দেৱীৰ চৰণত সেৰা জনাই ঘূৰি আহোঁতে দেউতাকক কৃষ্ণ বৰদেউতাক হঁতৰ নৈশ বাছ খনৰ ওচৰত ৰৈ থকা দেখিলে। তাৰ মনটো ভাল লাগি গ'ল। বাছখন মানে আকৌ চলিব সিহঁতৰ অভাৱ দূৰ হ'ব। মাকে পূজা চাবলৈ বুলি দিয়া টকা কেইটাৰে কিনি অনা চাউলকেইটা হাতত লৈ মদনে বেগাই ঘৰলৈ খোজ দিলে। নহ'লে যে ৰাতিৰ সাজ লঘোণ হ'ব।

■ ■ ■

# প্ৰতিবাদ

নতুন ঘৰখন আদৰি লোৱা এসপ্তাহেই হোৱা নাই চুমিৰ। অহাৰ দিনাৰ পৰাই তাই গধূলি কাৰোবাৰ কান্দোনৰ শব্দ শুনিছে। ক'ত কি হয় তাই ধৰিব পৰা নাই। আজি কৌতূহল সামৰিব নোৱাৰি তাই বাহিৰলৈ ওলাই আহি আচৰিত হ'ল। কি এয়া; দুখোজ মান আগবাঢ়োতেই অৰিন্দমে মাত লগালে, ক'ত যোৱা? দা উফৰি আহি গাত পৰিব গম পাবা। কিন্তু এনেকৈ চাই থাকিব পাৰি জানো অৰিন্দম? নাথাকি কি কৰিবা। দিন পাৰ হৈছিল চিঞৰবোৰ কমি আহিছিল মদাহী গিৰিয়েকক তাই উলটি ধৰা হ'ল, ভাল লাগিছিল চুমিৰ দূৰৰ পৰা চাই। প্ৰতিবাদৰ ভাষা বুজি উঠা মানুহজনীৰ কালী গোসানী যেন ৰূপ টোলৈ সি ভয় কৰা হ'ল।

■ ■ ■

# জীৱন

জীৱনৰ বাটত সফলতাৰে আগুৱাই যোৱা মানুহজনক হঠাৎ খোৱা উজুটিটোৱে বেয়া কৈ আঘাত দিছিল। আজি কিন্তু তেওঁ সেই আঘাত পাহৰি পেলাইছে। জীৱনৰ শেষ সময়ত মানুহজনক আৱৰি ৰখা জীয়েক -জোঁৱাইকক হিয়া উজাৰি আশীৰ্বাদ দিলে। নাতিনীজনী মাতত আপোন পাহৰা হৈ থকা মানুহজন উঠি বহিল,আব্বাৰ লগত ময়ো যাম তোমাৰ ঔষধ আনিবলৈ ককা। যাবা মাজনী, সোনকালে ঘূৰি আহিবা দেই। ককা, তুমি নমো কৰাৰ আগতেই আহিম।

অকণমানিজনীৰ মুখলৈ চাই মানুহজনে ভাবিলে মৰম আৰু আদৰৰ মাজত জাত-পাত কেতিয়াও অন্তৰায় হ'ব নোৱাৰে।

এৰা-ধৰাৰ মাজেৰেহে মানুহে সুখবোৰ বুটলিব পাৰে।

■ ■ ■

# ফুলশয্যা

কি কৰো কি নকৰো ভাৰত মলয়া অস্থিৰ হৈ পৰিল। নগলেওতো নহ'ব। পিছবেলা পৰীক্ষা শেষ কৰি বাছ আস্থান পোৱা লৈ শেষৰ বাছখনো গুচি গৈছিল। অৱশেষত ৰক্তিমৰ কথাই মনলৈ আহিল তেওঁকে এবাৰ কৈ চাওঁ নেকিঙ্গ কিন্তু তেওঁ যদি সুবিধা লোৱা বুলি ভাবে। কৈছিল তাই, ৰক্তিম আহিছিল। গাড়ীখনত দুয়ো আগবাঢ়িছিল। মৃদু শব্দৰে বাজি উঠিছিল 'আমোলমোল শেৱালীৰ গোন্ধ.......... তোমাৰ শিৰৰ সেন্দুৰ কণ।' হৃদয়ৰ একোনত গীতটো প্ৰিয় হৈ ৰৈছিল। তাইক বুকুত এবাৰ সাৱটি নোলোৱাকৈ সি গুচি গৈছিল। আজি শিৰত সেন্দুৰখিনি বোলাই লৈ তাই আকৌ এবাৰ অধিৰ আগ্ৰহেৰে অপেক্ষা কৰিছে ৰক্তিমলৈ।

■ ■ ■

# সহচৰ

নিমিষতে মনৰ সকলো অভিমান ৰূপান্তৰ হৈছিল মিঠা আৱেদন লৈ। বহু বছৰ কঢ়িয়াই লৈ ফুৰা দুখবোৰ সুখ হৈ জিলিকি উঠিছিল ৰেজিনাৰ বুকুত। গাঁৱৰ কৃষ্ণচূড়া জোপাৰ তলত অনিমেষে কোৱা সেই এষাৰ মাথোন কথা 'তোক মোৰ নিচিনাকৈ কোনেও ভাল পাব নোৱাৰে ৰেজিনা মনত ৰাখিবি।' সঁচাকৈয়ে অনিমেষৰ মৰম তাই উপেক্ষা কৰিব পৰা নাছিল।

আজি সমাজৰ সকলো বাধা বিঘিনি নেওচি অনিমেষ আহিছে তাইক আপোন কৰি ল'বলৈ। জীৱনৰ বিয়লি বেলাত দুয়ো দুয়োৰে সহচৰ হ'ব। হাঁহি বিৰিঙিল দুয়োৰে মুখত।

■ ■ ■

# সপোনৰ ৰং

ইমান ধুনীয়াকৈ সাজি-কাচি আহিছ যে? লৃগাংৰ দিনা বেয়াকৈ আহিম নেকি, তাই খিল-খিলাই উঠিল। বহুদিনৰ পৰা দেখি অহা সপোনটো পূৰ্ণিমাৰ আজি ফলিয়াব যেন লাগিল। সপোনবো যে থাকে নানা ৰং। কথাষাৰ সি কৈছিল তাইক, কিন্তু বান্ধৱী ডিম্পিক ক'বলৈ হে।

■ ■ ■

# নির্দয়

মালতী আহিলিঙ্গ আজি সেইফালে গৈছিলি নেকি? অ, খুৰী তাৰ পৰাই আহিলো এতিয়া। কেনেকুৱা দেখিলি? একেই আছে খোৱা-বোৱা ভালদৰে কৰা নাই খুৰী। কাপোৰকেইটামান কুঁৱা পাৰতে গোটাই থৈছোঁ তই ধোগৈ যা মালতী। মই পাকঘৰৰ ছাই লগা বাচনকেইটামান সামৰি থওঁ নহ'লে মৰাচুৰা খেদোতে এপোৱাল পৰিব মোৰ। একেই জা-জোৱালী এগৰাকীৰ অন্তিম সময়ত আন গৰাকীৰ চিন্তা দেখি মালতী অবাক লাগিল।

■ ■ ■

# প্ৰাপ্তি

ওৱে ৰাতি তপত চকুলো বাগৰি থাকিল আকাশীৰ দুচকুৰে। এফালে প্ৰাপ্তি আৰু আনফালে হেৰুৱাৰ দুখ। সেই মৰম লগা মুখখনি সদায় সাহস দিয়া সেই দুচকু, বৰ অসহায় লাগিল আকাশীৰ। অকলশৰীয়া ঘৰটোত স্মৃতিবোৰ লগৰী হৈ পৰিল। নিযুক্তি পত্ৰখন হাতত লৈ তাই চিঞৰি উঠিল মা...

■ ■ ■

# সময়

মনালিছা, দুয়োজনী উচুপি উঠিল। সৰ্বশৰীৰ কেৱল বগা আৰু বগা। এইজনেই ফটোখনলৈ তাই আঙুলিয়াই দিলে। হয় এইজনেই যাক ২০ বছৰৰ আগতে পৰ্দাৰ ফাকেৰে মালাই চাইছিল। সন্মুখলৈহে ওলোৱা নহ'ল।

■ ■ ■

# নিৰাপত্তা

বগৰীবাৰীলৈ নাযাবি তাত ভূত থাকে। ভয়তে মালতীয়ে কেতিয়াও তাত বগৰী বুটলিবলৈ নাযায়। আজি মাক হেৰাই যোৱা বহুদিন হ'ল। অকলশৰীয়া ঘৰটোত মাকে কোৱা সেই ভূতবোৰে তাইক দিনে-ৰাতিয়ে খেদি ফুৰে। তথাকথিত মানুহৰ পৃথিৱীত তাইৰ দুৱাৰত কোনেও হাত দিব নোৱাৰাকৈ মাজৰাতি নিৰাপত্তা দিয়ে ভতুৱা কুকুৰ কেইটাই।

■ ■ ■

# অজুহাত

দুটা ল'ৰাৰ সতে কলিতাৰ এখন সুখৰ সংসাৰ। এদিন পঢ়াৰ টেবুলত বহি সৰু ল'ৰা নয়নে ক'লে 'দেউতা তোমালোক বুঢ়া হ'লে সদায় দাদাৰ লগত থাকিবা মোৰ লগত নাথাকিবা।' কিয় সোণ? দেউতাকে সুধিলে। আইতা-ককা যে সদায় বৰদেউতাৰ লগত থাকে সেইবাবে। দূৰত থকাৰ অজুহাতত কোনোদিন মাক-দেউতাকক লগত নৰখা কলিতাৰ গাত কোনোবাই চমতাৰে কোবাই দিয়াৰ দৰে লাগিল।

■ ■ ■

# ভুল

একেটা ভুলকে বাৰে বাৰে কৰা যে? অজানিতে হৈ যায় মালাই উত্তৰ দিলে। সঁচাকৈয়ে ৰক্তিম লগত নথকা হ'লে আজি তাইৰ ভুলৰ পুনৰাবৃত্তি হ'লহেতেঁন। সুখে-দুখে তাইক মৰমেৰে আৱৰি ৰখা মানুহজনলৈ তাইৰ শ্ৰদ্ধা উপজিল। কোচৰ পৰা পৰি যোৱা মোবাইলটো তুলি লৈ তাই ধুলিবোৰ মচিবলৈ ধৰিলে।

■ ■ ■

# প্ৰেৰণা

ছোৱালীজনীলৈ চাই সদায় হুমুনিয়াহ কাঢ়ি থকা দেউতাকৰ মুখত আজি হাঁহি বিৰিঙিল। গাঁওৰ মানুহে অমংগলীয়া বুলি কয় সিহঁতক। চহৰত ভাড়াঘৰলৈ ই-ৰিক্সা চলোৱা ৰামেশ্বৰে চুচৰি চুচৰি চোতালখনত ঘূৰি ফুৰা একমাত্ৰ গাভৰু জীয়েকলৈ চাই ভাবিলে, আই অ খোজকাঢ়িব নোৱাৰা হৈ জন্ম ল'লি ভালেই হ'ল। নহ'লে তয়ো যদি কলেজলৈ যাওঁতে কাৰোবাৰ দাৰ ঘাপ বুকুত ল'ব লগা হ'লহেঁতেন, তোক বচাবলৈ জানো কোনোবাই দাখন কাঢ়ি নিলেহেঁতেন। চুচৰি চুচৰি হাঁহি এটা মাৰি তাই দেউতাকৰ আগত তামোলৰ বঁটাটো থলেহি। ৰামেশ্বৰৰ অকলশৰীয়া জীৱনটোত তাইয়েটো জীয়াই থকাৰ প্ৰেৰণা।

■ ■ ■

# বিচাৰ

বাৰে বাৰে মানা কৰা পিছতো কিয় গৈছিলি? মাকৰ চৰ খাই আঁতৰি গৈছিল  নয়ন। কিয় যাব নালাগে মাকে নকয়। আজি জানি বুজিয়ে সি পুনৰ গৈছিল। সিটো কোঠাত মাকে উচুপি থকা সি শুনিবলৈ পাইছে। সিহঁতৰ ঘৰখনৰ সৰ্বনাশ মাতি অনা সমৰ চলিহাক যে অলপ সময়ৰ আগতে নাৰী সৰবৰাহৰ অপৰাধত পুলিচে ধৰি নিলে মাকক সেই কথা ক'বলৈ তাৰ বৰ মন গৈছিল। একমাত্ৰ বায়েকৰ নিষ্পাপ মুখখন তাৰ বৰ মনত পৰিল। তাই যদি আজি জীয়াই থাকিল হেঁতেন। সন্মুখৰ আমগছ জোপালৈ চাই সি হুমুনিয়া কাঢ়িলে।

■ ■ ■

# সম্পৰ্ক

অম্লানৰ গাড়ীখনৰ শব্দ শুনি মায়াৰ মনতো ভাল লাগি গ'ল । দিনটো ব্যস্ততাৰে পাৰ হয় তাইৰ। তাতকৈ অম্লান বহুত বেছি ব্যস্ত। বিয়া হোৱাৰ দুই-তিনিমাহৰ পাছৰে পৰা ব্যৱসায়ত অম্লান যি ব্যস্ত হ'ল হ'লেই আৰু তাই যেন ক'ৰবাত দূৰতে ৰৈ গ'ল। অম্লান ঘৰলৈ অহা দেখি তাইৰ অম্লানৰ ওচৰলৈ দৌৰি যাবলৈ, বহুত কথা কবলৈ, হাঁহিবলৈ, খোৱা-বোৱাৰ কথা সুধিবলৈ মন গ'ল। হঠাৎ তাইৰ দুচকু ভৰি আহিল বুকুখন বিষাই গ'ল। তাইৰ এই উৎকণ্ঠাৰ একো মূল্য নাই অম্লানৰ ওচৰত । দিনটোৰ ব্যস্ততাৰ পিছত আৰু অম্লানৰ তাইৰ কথা শুনাৰ ধৈৰ্য নাথাকে। ছোৱালী কালত নিবোকা বুলি নাম থকা মায়া অম্লানৰ মানত কথকী। আবেগবোৰ হেঁচা মাৰি ধৰি কম বুলি ভবা কথাবোৰ তাই মনৰ মাজতে সামৰি থলে। দিনটো কষ্ট কৰি অহা অম্লানক তাই অশান্তি দিবলৈ নিবিচাৰে।

■ ■ ■

# সকাহ

ইমান খৰধৰ কৈ ক'ত যাব?

মাকক একো নোকোৱাকৈ সি গুচি গৈছিল। গধূলি এটোপোলা খোৱা বস্তু লৈ সি উভতিছিল। অসুখীয়া মাকক সকাহ দিবলৈ সি জীৱনত প্ৰথম আনৰ ঘৰত কাম কৰিছে। মনতে ভাবিলে মাকৰ গা ভাল নোহোৱালৈকে সি কলেজলৈ নাযায়।

■ ■ ■

# লঘোণ

‘তই দেখোন কৈছিলি মা তাত বহুত কিবাকিবি খাবলৈ পাম।’

দিনটো কাম কৰি থকাৰ পিছতো সিহঁতক কোনেও দেখোন খাবলৈ নক’লে। নিজে গৈ খাবলৈ দেখোন মালতীৰ লাজেই লাগিল। কামৰ অন্তত পোৱা পইচাকেইটাৰে মাংস অকণ কিনি ল’লে। বিয়া ঘৰৰ নিচিনাকৈ তায়ো আজি মচলা সৰহকৈ দি ৰান্ধিব।

■ ■ ■

# যান্ত্ৰিক

চহৰখনৰ আগশাৰীৰ এখন মহাবিদ্যালয়ৰ অধ্যাপিকা অনুপমা চৌধুৰী। কৰ্মব্যস্ত জীৱন। অতীতৰ দিনবোৰে মাজে মাজে ভেঙুচালি কৰি যায়। এমাহৰ আগতে কৰা টিকটকেইটা তাই আঁতৰাই থ'লে।

ডাঙৰ চহৰলৈ গৈয়ো তাইৰ মনে দেখোন সেউজীয়াৰ হে সন্ধান কৰে। মাজে মাজে গাঁৱৰ ঘৰলৈ নগ'লে জীৱনটো বৰ যান্ত্ৰিক হ'ব। গাঁৱৰ ঘৰখনতে এইবাৰ গৰম বন্ধটো কটাব লাগিব। এক গভীৰ প্ৰশান্তিৰে অনুপমাৰ হৃদয়খন উপচি পৰিল। দেউতাকে কোৱা কথা এষাৰ বাৰে বাৰে মনলৈ আহিল 'আমি শিপা পাহৰি যোৱাতো উচিত নহয়।'

■ ■ ■

# উপলব্ধি

ছোৱালী মানুহ ভালকৈ চপাই-কোচাই খাবি। ছোৱালী মানুহ এইটো নকৰিবি, সেইটো নকৰিবি, বুলি কোৱা ককাকৰ মুখত আজি সন্তুষ্টিৰ হাঁহি। জিলাখনৰ শ্ৰেষ্ঠ আসনখনত মৰমৰ নাতিনীজনী। ৯০ বছৰ বয়সত তেওঁ আজি ভালকৈ উপলব্ধি কৰিলে পাৰদৰ্শিতাই ল'ৰা-ছোৱালী বিচাৰ নকৰে। দুটোপাল তপত চকুলো বাগৰি আহিল তেওঁৰ।

■ ■ ■

# দয়া

গেটখন খুলি প্ৰকাণ্ড আৰ.চি.চি. ঘৰটোৰ সন্মুখত থিয় হ'লহি ৰূপেশ্বৰ শইকীয়া। আটকধুনীয়া ঘৰটোলৈ তধা লাগি চাই ৰ'ল। ভুক্ ভুক্, কেচ্ কেচ্ কৈ ক'লা কুকুৰটোৰ আস্ফালন যেন শিকলি চিঙি জপিয়াই পৰিবহি। দেউতা, ইমান ৰাতিপুৱাই আহিলা সকলো ঠিকেই আছেনে? লচোন এইটো।

টোপোলাটো দি আঁতৰি গৈছিল মানুহজন। বৃদ্ধ বয়সত অকণমান মৰম আৰু আদৰৰহে প্ৰয়োজন দয়াৰ নহয়, পুতেকে দি পঠোৱা টকাৰ সৰু টোপোলাটো ঘূৰাই দি কম বুলি ভবা কথাষাৰ মনৰ মাজতে সামৰি থ'লে অৱসৰপ্ৰাপ্ত কেৰাণী ৰূপেশ্বৰ শইকীয়াই।

■ ■ ■

# উৎসাহ

তুমিও কিবা এটা লিখিবা।

অবাক হৈছিল তাই। মনে মনে ডায়েৰিত লিখা কবিতাখিনিৰ মাজৰ পৰা এটা কবিতা উকা কাগজখনত তুলি আনিছিল। মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ প্ৰাচীৰ পত্ৰিকাখনত প্ৰকাশিত কবিতাটিয়ে বিনিতাৰ মনলৈ সাহস আনিছিল। প্ৰতিষ্ঠিত বহু কবিৰ মাজত আজি বিনিতাৰ নামটোও জিলিকৈ ৰৈছে। শিক্ষাগুৰু মণিকা বাইদেউৰ কথাষাৰ বিনিতাৰ বাবে আশীৰ্বাদ হৈ ৰৈছিল।

■ ■ ■

# বোৱাৰী

ভয়ে ভয়ে ঘৰখনত সোমাইছিল তাই। হোষ্টেলত থাকি পঢ়ি অহা ছোৱালী কামত জগৰ লাগিব পাৰে। হঠাৎ ককালত কাৰোবাৰ হাতৰ স্পৰ্শ।

মৰমেৰে আকোঁৱালি লৈছিল নিজৰ জীৰ দৰে। কান্ধৰ ভাৰখন তেনেই পাতল আছিল তেতিয়া জীয়ৰী ছোৱালী দৰে। এতিয়া তাই আকোঁৱালি লৈছে নিজৰ মাক-দেউতাকৰ দৰে বৃদ্ধ কালতো এতিয়া ঘৰতে পাৰ হৈছে মৰম-স্নেহ আৰু আদৰ-যত্নৰ মাজৰে।

■ ■ ■

# কাঁইটীয়া

ৰ'দটো ইমান বেছি চোকা আজি নহয়নে নিভা? কিন্তু বুকুত জ্বলি থকা জুই কুৰাৰ উত্তাপ নিভাৰ তাতোকৈ বেছি যেন লাগিল। সীমাৰ কথাযাৰত তাই হা-না একো নক'লে। দেই-পুৰি যাবলৈকে যেন ভগৱানে তাইক সৃষ্টি কৰিছে।

মূৰ তুলি নিজৰাক আলিতে ৰৈ থকা দেখিলে। ৰাতিৰ ভাওনা সবাহত দুয়োজনীয়ে দোকান দিয়াৰ কথা।

মনতে ভাবিলে কষ্টকে কৰিব তাই চকুপানী টুকি জীৱন শেষ হৈ যাবলৈ দিয়াতকৈ, নিজৰ মতে জী উঠাত মাদকতা আছে।

■ ■ ■

# শলাগ

বৰদেউতাকৰ কথাকেইটাই বিনয়ৰ মনৰ পৰা সকলো দুঃচিন্তা আতৰাই দিলে। জীৱনৰ বহুতো জটিল মুহূৰ্তত বৰদেউতাক তাৰ সন্মুখত সাহস হৈ থিয় দিছে। আপোনা মানুহবোৰে বিপদত তাৰ লগ এৰাৰ বিপৰীতে তেজৰ সম্পৰ্ক নথকা নন্দেশ্বৰ বৰদেউতা তাৰবাবে ভগৱানৰ আন এটা ৰূপ। অসুখীয়া ল'ৰাটোক চেন্নাইলৈ নিবলৈ তাৰ হাতত পেঞ্চনৰ টকাকেইটা তুলি দি দীঘল দীঘল খোজেৰে মানুহজন আঁতৰি গ'ল।

■ ■ ■

# সংকল্প

“মাজনী এনেদৰে ভাগি পৰিলে নহ’ব নহয়।” মাকক সাৱটি ধৰি তাই হুকহুকাই কান্দি উঠিল। দূৰৰ পৰা দেউতাকে তাই লৈ একেথৰে চাই ৰ’ল। মাজনী তোমাৰ জন্মৰ আগত তোমাৰ দেউতাৰা আৰু মই নামঘৰ আৰু ফুলনি থানত ফুল কাপোৰ আগবঢ়াইছিলো। আমাৰ বাবে তুমি ভগৱানৰ আশীৰ্বাদ আছিলা। জীৱন এখন যুদ্ধই হাৰি গ’লে নহ’ব নহয়। নামঘৰৰ ৰাতিপুৱা দবা বজোৱা শব্দই তাইৰ টোপনি ভাঙিল। ৰাতি অহা চিন্তাবোৰ মনৰ পৰা আঁতৰাই পেলালে। আজিৰ পৰা তাই নিজক ভাল পাব আনৰ কথাত ভাগি নপৰাকৈ। মাক-দেউতাকৰ ফটোখনত তাই সেৱা এটি জনালে।

■ ■ ■

# সময়

বস্তুবোৰ গোটাই-পিটাই গকুল বৰুৱা আগফালৰ চকীখনতে বহি পৰিল। নিজৰাই মাজে মাজে ভুমুকিয়াই চাই যায়। গকুলে বৰুৱাই বাহিৰত বহি ভৰাৰ দৰে, পাকঘৰৰ কাম তাই একো আগবঢ়োৱা নাই।

হেৰা, ফোন এটা কৰা। কৰিছিলো, জোঁৱায়ে ঘৰ গৈ পোৱা দেৰি হ'ব বুলি মাজনীক ইয়াত সোমাবলৈ নিদিলে, নিজৰাই উত্তৰ দিলে। এদিন গকুলেও কৈছিল জোঁৱায়েকৰ দৰে। মনতে তাই ভাবিলে সময়ে সকলো সলনি নকৰে।

■ ■ ■

# সান্নিধ্য

কথাবোৰ লাহে লাহে সুৰ হৈছিল। হুমুনিয়াহবোৰ গান হ'বলৈ আৰম্ভ কৰিছিল। ৰভা ঘৰটোত মানুহৰ উদুলি-মুদুলি। কিছু সময়ৰ পাছত তাইৰ ঠিকনাটো সলনি হ'ব। দুখবোৰ সুখ কৰি ল'বলৈ শিকোৱা তেজৰ সম্পৰ্ক নথকা মানুহ গৰাকীলৈ তাই একেথৰে চাই ৰ'ল। গোসানী দৰে লাগিল। তাই ফাটি যোৱা চোলাটো সলাই নতুন চোলা পিন্ধাই দিয়া দিনটো মনত পৰি দুটোপাল সুখৰ চকুলো সৰি পৰিল।

■ ■ ■

# সমল ব্যক্তি

'কুশলে আছা'।

বুকুৰ ভিতৰখনত দপদপাই জ্বলি থকা জুইকুৰাক অৱজ্ঞা কৰি অনিমাই উত্তৰ দিছিল 'আছো ছাৰ।'

নৈখন উভতি বোৱাৰ খবৰ তাই কেনেকৈ দিব ছাৰক। লেপটপটোত পেইন ড্ৰাইভটো লগাই চেমিনাৰ পেপাৰখন পঢ়িবলৈ তাই মঞ্চত উঠিল।

■ ■ ■

# বিয়লি

ইমান সোনকালে, সকলো যেন অবাঞ্ছিত। বগা কাপোৰখন গুচাবলৈ লৈ অভিনৱৰ হাতখন কপিবলৈ ধৰিলে। ‘অপৰাধী মই’ মুখৰ ভিতৰতে ভোৰভোৰালে সি।

ডিগ্ৰী লোৱাৰ নামত, চাকৰিৰ তাগিদাত মাকক কম অকলশৰীয়া কৰিলেনে সি। বুকুখন বিষাবলৈ ধৰিলে তাৰ।

■ ■ ■

# মমতা

“নাৰায়ণ কবচখনৰ লগতে তোক আৰু দুটা বস্তু বান্ধি দিছো বেগত ভৰাই ল'বি।” হ'ব দিয়া, মাকৰ কথাত নিজৰাই শলাগিলে। কৌতুহল সামৰিব নোৱাৰি তাই টোপোলাতো খুলি চালে। এসোপা জলকীয়া গুৰিৰ লগত চোকা কটাৰী এখন। অমানুহৰ পৰা বাচিবলৈ মাকে দিয়া বস্তুকেইটা দেখি মাকলৈ তাইৰ মৰম লাগি গ'ল। এইবোৰে জানো তাইক ৰক্ষা কৰিব পাৰিব। মমতাৰ অন্য ৰূপ মাকেইতো তাইৰ সৰ্বশ্ৰেষ্ঠ ৰক্ষা কবচ। নিমিষতে তাইৰ সকলো সংশয় নোহোৱা হ'ল।

■ ■ ■

# অভ্যাস

আনদিনাৰ দৰে দোকানখন অলপ সময়ৰ বাবে বন্ধ কৰি সি মাছৰ বজাৰখনত সোমাল। সি হাত মুখ ধুই আজৰি হয় মানে তাই সৰু মাছ কেইটা পিঁয়াজ দি ভাজে। চোতালখন মচি থোৱা দাগবোৰ জিলিকি আছে। সি  টোপোলাতো চাইকেলতে এৰি  বাৰন্দাতে বহি পৰিল। মাজে মাজে পেটৰ বিষ বুলি কোৱা মানুহজনী গুচি যোৱা আজি ২০ দিনেই হ'ল চোন। বুকুখন বৰকৈ বিষাবলৈ ধৰিলে বিমলৰ।

■ ■ ■

# ব্যতিক্রম

নতুনকৈ চাকৰিটোত যোগদান কৰিছে সি।

সকলোৱে যেন তাক কোনোবা গ্ৰহৰ প্ৰাণী চোৱাদি চায়। 'আপুনি সংসাৰ কৰা নাই। 'মই কেনেকৈ কাৰোবাৰ জীৱনক লৈ খেলিব পাৰো।' বেকা হাঁহি এটা মাৰি অমৰৰ উত্তৰটো শুনি শইকীয়া আতৰি গৈছিল।

বলক অমৰ দা কেন্টিনত চাহ একাপ খাই আহো বিদিশাই তাক একপ্ৰকাৰ জোৰেই কৰিলে। অমৰে নভৱাকৈ বিদিশাই তাক প্ৰেমৰ প্ৰস্তাৱ আগবঢ়ালে। অন্তৰৰ বিশুদ্ধতাকে তাই গুৰুত্বপূৰ্ণ ভাৱে। কোনেও আঙুলিটোৱাব নোৱাৰাকৈ সিহঁত এতিয়া সুখী। জন্মতে খেলি-মেলিকৈ অহা শৰীৰটোৰ কথা আজি-কালি সি ভাবি নাথাকে।

■ ■ ■

# খবৰ

ৰেজিষ্টাৰ বহীখন চালে। একেৰাহে আঠদিন অনুপস্থিত আছে তাই। যোৱা চেমিষ্টাৰটোত এদিনো ক্লাছ খতি নকৰা অনুপমাৰ মৰমৰ মেধাবী ছাত্ৰী নিভাৰ অনুপস্থিয়ে তাইক চিন্তাত পেলালে। নিভাৰ বান্ধবী তৰাক ওচৰলৈ মাতিলে। বাইদেউ, নিভাৰ মোবাইল নাই তাইৰ খবৰ ময়ো নাপাও। কিছু হতাশ হ'ল অনুপমা। ক্লাছটো শেষ কৰি বিভাগত বহি তাই ভাবিলে কলেজ ছুটিৰ পাছত তাই এবাৰ নিভাৰ ঘৰত গৈ খবৰ ল'ব। আগ তাক সুধি গাঁৱৰ মূৰত থকা নিভাৰ ঘৰ পালে গৈ। দুৱাৰ মুখত ৰৈ নিভা বুলি মাত লগাওতে দৰ্জাৰে কোনোবাই জুমি চালে। বাইদেউ সেৱা এটা জনালে নিভাই। তুমি কলেজলৈ...। ওচৰতে ৰৈ থকা মাকে চলচলীয়া চকুৰে ক'লে 'তাইৰ বৰ অসুখ বাইদেউ।' অনুপমা চক্‌খাই উঠিল। মনতে ভাবিলে ইমান দুৰাৰোগ্য ৰোগত ভুগি থকা ছোৱালীজনী ইমান সুস্থিৰ। তাই মৰমৰ ছাত্ৰীজনী সোনকালে ভাল হৈ উঠিবনে? কিবা এটা নিভাৰ হাতত তুলি দি তাই গাড়ীলৈ আগবাঢ়িল। নিভা কলেজলৈ নহাকেইদিনৰ নোটবোৰ তাইলৈ ভালকৈ থৈ দিব লাগিব।

■ ■ ■

# বন্দনা

যাবৰ সময়ত চকুপানী ৰাখিব নোৱাৰিলে প্ৰভাৰতী বৰাই। নাতি কেইটা বুকুত সাৱটি কম শান্তি পাইছিল নে?

হঠাৎ কলিংবেল টোৰ শব্দত প্ৰভাৰতী দুৰৰা খকমককৈ সাৰ পাই উঠিল। খৰধৰকৈ ফটোখন তুলি সিহঁত গ'লগৈ।আপলোড দিব লাগে বোলে। সিহঁতলৈ বুলি কেইবাদিনৰ পৰা সাঁচি থোৱা বস্তুবোৰ ৰান্ধি খোৱাবলৈ সময়কে নিদিলে। নাতিকেইটা বুকুত সাৱটি লোৱাৰ আশা সপোন হৈয়ে ৰ'ল।

■ ■ ■

# দায়িত্ব

“এতিয়ানো কি ভাল-বেয়া কবি, ৰাখোন নাইকিয়া গৰু ঢাকোন নাইকিয়া চৰুৰ দৰে হ’ল।” ঘাট মাউৰা হোৱা আভাৰ কাণত হুলে বিন্ধা দি বিন্ধে কথাবোৰে। সৰুসজাইত নিযুক্তি পত্ৰখন লৈ আভাই বাছখনত বহি পৰিল। খাকী পোছাকজোৰ তাইৰ বৰ প্ৰিয়। অকলশৰীয়া ছোৱালী জনীৰ ওপৰত এতিয়া জনতাৰো দায়িত্ব। ওফৰি অহা কথাবোৰ আজি -কালি তাইৰ কাণত নপৰা হ’ল।

■ ■ ■

# মমতাময়ী

শ শ দৰ্শকে হাত জোকাৰি অভিবাদন জনালে। সকলোৰে মুখত হাঁহি বিৰিঙাই তেওঁ  যাবলৈ ওলাল। ঘৰখনতো বহুলোকে অপেক্ষা কৰি আছে। সকলো জোগাৰ হৈয়ে আছিল ।

হাতত জোৰ দাল লৈ তেওঁ লাহে লাহে আগবাঢ়িল। বাস্তৱৰ এই যাত্ৰা বৰ কৰুণ বুকুখন বৰকৈ বিযাবলৈ ধৰিলে বিখ্যাত অভিনেতা অভিনৱ ফুকনৰ।

■ ■ ■

# সততা

জেওৰাখন বিনয়ে আজি নতুনকৈ দিলে। সিপাৰৰ পৰা জক্‌জকাই অহা মানুহ আজিকালি নাই।

শূন্য ঘৰটোলৈ চাই জীৱনৰ ৰহস্য বুজিবলৈ তাৰ বেছি পৰ নালাগিল। জেওৰাখনৰ খুটিবোৰ সি উভালি পেলালে। নকৈ খুটি পুতিব লাগিব নিজৰ সীমাৰ জোখত।

■ ■ ■